**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-JUNE-2026
**Time :** 09-00 AM

***Assamese Morning Bulletin***

১। বিকশিত অসম দৰ্শনৰ অধীনত ৰাজ্যৰ উন্নয়নৰ গতি ত্বৰান্বিত কৰাৰ সন্দৰ্ভত নতুন দিল্লীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ আলোচনা।

২। ৰাজ্যজুৰি আজি মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৫৩৭ সংখ্যক আৱিৰ্ভাব মহোৎসৱৰ আয়োজন।

৩। অহা ৯ জুনত তৃতীয়ৰ পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে নিয়মীয়া মান নিৰূপণ পৰীক্ষাৰ প্ৰথম পৰ্যায় আৰম্ভ।

৪। ভাৰতীয় সংগীত জগতৰ কিংবদন্তি গায়িকা সুমন কল্যাণপুৰৰ দেহাৱসান। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত গুজৰাট টাইটানছক হৰুৱাই ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ একেৰাহে দ্বিতীয়বাৰৰ বাবে খিতাপ অৰ্জন।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি নতুন দিল্লীত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালক সাক্ষাৎ কৰি বিকশিত অসম দৰ্শনৰ অধীনত ৰাজ্যখনৰ উন্নয়নৰ গতি ত্বৰান্বিত কৰাৰ সন্দৰ্ভত আলোচনা কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত এই বিষয়ে প্ৰকাশ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে শ্ৰীসোণোৱালৰ সৈতে হোৱা প্ৰতিটো সাক্ষাৎকালত অসমৰ ভৱিষ্যৎ তথা ৰাজ্যৰ প্ৰগতিৰ পৰ্যালোচনাৰ সুযোগ লাভ কৰা যায়। তেওঁলোকে বিগত ১০ বছৰত অসমৰ উন্নয়নৰ পৰ্যালোচনা কৰাৰ লগতে অনাগত সময়ত অৰ্থনৈতিক বিকাশ, আন্তগাঁথনি তথা সৰ্বাংগীণ উন্নয়ন অধিক শক্তিশালী কৰাৰ বিষয়ত আলোচনা কৰে।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই যোৱা নিশা কেন্দ্ৰীয় শক্তিমন্ত্ৰী মনোহৰলাল খট্টৰক সাক্ষাৎ কৰি অসমৰ শক্তি আত্মনিৰ্ভৰশীলতাৰ লক্ষ্য পূৰণৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে লগতে নতুন দিল্লীত কৰ্মৰত অসম কেডাৰৰ ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়াসকলৰ সৈতেও মত বিনিময় কৰে। তেওঁ কয়, যে এই বিষয়াসকলৰ অভিজ্ঞতা, দক্ষতা আৰু বিভিন্ন গুৰুত্বপূৰ্ণ দায়িত্বত কাম কৰাৰ জৰিয়তে আহৰণ কৰা জ্ঞান ৰাজ্যৰ উন্নয়নৰ বাবে অমূল্য সম্পদ। ড০ শৰ্মাই বিষয়াসকলক বিকশিত অসম গঢ়াৰ লক্ষ্যৰ সৈতে সদায় সংযুক্ত হৈ থাকিবলৈ আৰু নিজ নিজ ক্ষেত্ৰৰ অভিজ্ঞতা আৰু নিপুণতাক ৰাজ্যৰ জনসাধাৰণৰ সামূহিক কল্যাণৰ বাবে ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়।

০০০০০০

ৰাজ্যজুৰি আজি মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৫৩৭ সংখ্যক আৱিৰ্ভাব মহোৎসৱৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মহাপুৰুষজনাৰ আবিৰ্ভাৱ তিথি উপলক্ষে ৰাজ্যবাসীক শুভেচ্ছা জনোৱাৰ লগতে গুৰুজনাকো শ্ৰদ্ধাৰে স্মৰণ কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে জ্ঞান, ভক্তি আৰু মানৱতাৰ অমৃত বাণীৰে যুগে যুগে পথ প্ৰদৰ্শন কৰি থকা মহাপুৰুষজনা আমাৰ জাতীয় জীৱনৰ প্ৰেৰণাৰ অমল উৎস।

গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱ উপলক্ষে ৰাজ্যৰ সত্ৰ আৰু নামঘৰসমূহত নৈমিত্তিক প্ৰসংগৰ লগতে ভাগৱত ভ্ৰমণ, ধৰ্মালোচনা সভা আদিৰ আয়োজন কৰা হৈছে। শ্ৰীশ্ৰী মাধৱদেৱৰ দ্বাৰা স্থাপিত বৰপেটা সত্ৰত এই আৱিৰ্ভাৱ মহোৎসৱ উলহ-মালহেৰে আয়োজন কৰা হৈছে। এই সন্দৰ্ভত আমাক সবিশেষ কৈছে বৰপেটা জিলাৰ সংবাদদাতা অৰূপজ্যোতি মহন্তই –

ভইচকাষ্ট

ধুবুৰী জিলাতো আজি শ্ৰীশ্ৰী মাধৱদেৱ গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱৰ আয়োজন কৰা হৈছে। এই উদ্দেশ্যে পুৱাৰেপৰা গোলকগঞ্জৰ ৰামৰাইকুটী সত্ৰত ভালেসংখ্যক লোক সমবেত হৈ দিনজোৰা কাৰ্যসূচীৰে গুৰুজনাৰ সৃষ্টিক স্মৰণ কৰাৰ ব্যৱস্থা লৈছে। জিলাখনৰ সাপটগ্ৰামৰ লীলানন্দ পাগলাবাবাৰ আশ্ৰমতো এই মহোৎসৱৰ আয়োজন কৰা হৈছে।

০০০০০০

সমগ্ৰ শিক্ষা অসমে অহা ৯ জুনৰ পৰা তৃতীয়ৰ পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে নিয়মীয়া মান নিৰূপণ পৰীক্ষাৰ প্ৰথম পৰ্যায় অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰিছে। শৈক্ষিক বৰ্ষৰ আৰম্ভণিতে ছাত্ৰ-ছাত্ৰীসকলৰ শিকনৰ মূল্যায়নৰ লক্ষ্যৰে অনুষ্ঠিত কৰা এই পদক্ষেপৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ শিকনৰ ক্ষেত্ৰত হোৱা অসুবিধা আৰু এইক্ষেত্ৰত ল'বলগীয়া ব্যৱস্থাসমূহ নিৰ্ধাৰণ কৰা হয়। সমগ্ৰ শিক্ষা অসমৰ মিছন সঞ্চালকে জাৰি কৰা অধিসূচনা অনুসৰি তৃতীয়ৰ পৰা পঞ্চম শ্ৰেণীলৈ ৯ জুনৰ পৰা ১২ জুনলৈ পৰীক্ষা অনুষ্ঠিত হোৱাৰ বিপৰীতে ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ ১৬ জুনত মান নিৰূপণ পৰীক্ষা অনুষ্ঠিত হ'ব।

০০০০০০

অহা ৫ জুনত অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটোৱা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য মংগোলীয়াৰ পৰা অহা ৩ জুনত গুৱাহাটীলৈ ঘূৰি অহাৰ পাছতে মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কৰা হ'ব। নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰাৰ পাছতে কালি মুখ্যমন্ত্ৰীয়ে এই কথা সদৰি কৰে।

০০০০০০

ৰাজ্যত অহা ২ আগষ্টত আৰম্ভ হ'বলগীয়া প্ৰথম পৰ্যায়ৰ লোকপিয়লৰ বাবে জিলাই জিলাই ইতিমধ্যে গৃহ তালিকা আৰু গৃহ পিয়ল সম্পৰ্কীয় প্ৰশিক্ষণ চলি আছে। **কাৰ্বি আংলং** জিলাৰ ডিফু আৰৰ্ত ভৱনত আজিৰে পৰা তিনিদিনীয়াকৈ লোকপিয়লৰ গণনাৰ কামত নিয়োজিত বিষয়া-কৰ্মচাৰীসকলৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। গণনাকাৰী বিষয়াসকলক লোকপিয়লৰ সঠিক তথ্য সংগ্ৰহ, পদ্ধতি, স্বগণনা তথা ক্ষেত্ৰ পৰিদৰ্শন সন্দৰ্ভত সমল ব্যক্তিসকলে প্ৰশিক্ষণ প্ৰদান কৰিব।

উল্লেখযোগ্য যে ৰাজ্যত আসন্ন লোকপিয়ল সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে লোকপিয়ল সঞ্চালকালয়ে সকলো ধৰণৰ প্ৰাৰম্ভিক প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। ইয়াৰ বাবে ইতিমধ্যে ৮৫ হাজাৰ গণনাকাৰী বিষয়া নিয়োগ কৰা হৈছে। ১৭ আগষ্টৰ পৰা গণনাকাৰী বিষয়াসকলে ঘৰে ঘৰে গৈ জন গণনা কৰিব। এই প্ৰক্ৰিয়া ১৫ ছেপ্তেম্বৰ পৰ্যন্ত চলিব। এইবাৰৰ লোকপিয়লত স্ব-গণনাৰো বিকল্প ব্যৱস্থা কৰা হৈছে। লোকপিয়লত জনসাধাৰণে ১৬টা ভাষাত তথ্য দিব পাৰিব।

০০০০০০

ভাৰতীয় সংগীত জগতৰ কিংবদন্তি গায়িকা সুমন কল্যাণপুৰৰ কালি মুম্বাইৰ নিজা বাসগৃহত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৯ বছৰ। প্ৰবীণ গায়িকাগৰাকীয়ে ১৯৫০ৰ পৰা ১৯৭০ চনলৈ বোলছবি গীতৰ সোণালী যুগত হিন্দী, মাৰাঠীকে ধৰি বিভিন্ন ভাৰতীয় ভাষাৰ গীতত কণ্ঠদান কৰিছিল। ১৯৩৭ চনৰ ২৮ জানুৱাৰীত বাংলাদেশৰ ঢাকাত জন্মগ্ৰহণ কৰা সুমন কল্যাণপুৰে ১৯৫০ চনৰ মাজভাগত প্ৰথমখন হিন্দী ছবিত গীত গাইছিল। 'আজকল তেড়ে মেৰে প্যাৰ কে চৰ্চে', 'না না কৰকে প্যাৰ' আৰু 'তুমনে পুকাড়া ঔৰ হম চলে আয়ে' আদিকে ধৰি বহু জনপ্ৰিয় হিন্দী গীত গাইছিল। তেওঁ কিংবদন্তী গায়ক মহম্মদ ৰফিৰ সৈতে প্ৰায় এশটা গানত কণ্ঠ নিগৰাইছিল। ড° ভূপেন হাজৰিকাৰ পৰিচালনা, প্ৰযোজনা আৰু সংগীতেৰে সজোৱা জনপ্ৰিয় অসমীয়া বোলছবি 'প্ৰতিধ্বনি'ৰ গীতত কণ্ঠ নিগৰোৱাৰ লগতে তেওঁ 'পোনাকণ', 'চিকমিক বিজুলী', 'কাঁচঘৰ', 'নয়নমণি' আদি ছবিৰো নেপথ্য গায়িকা

আছিল। 'আকাশৰে নীলাই', 'জীৱন ঘড়ীৰ প্ৰতিটো পল', 'মিলনৰে এই শুভক্ষণ', 'অই অই আকাশ শুব' আদি জনপ্ৰিয় অসমীয়া গীতবোৰেৰে সুমন কল্যাণপুৰে শ্ৰোতাৰ হৃদয় জিনিছিল।

**গান (অই অই)**

ভালেসংখ্যক বঁটা আৰু সন্মানেৰে বিভূষিতা সুমন কল্যাণপুৰৰ মৃত্যুত মহাৰাষ্ট্ৰৰ ৰাজ্যপাল জিষ্ণু দেৱ বাৰ্মা, মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নাবিছ, উপ-মুখ্যমন্ত্ৰী একনাথ সিন্দে, সুনেত্ৰা পাৱাৰ, কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰী, মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই শোক প্ৰকাশ কৰিছে।

০০০০০০

টিংখাং সমষ্টিৰ বিধায়ক বিমল বৰাই কালি ৰাজগড়ৰ অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ নিয়ন্ত্ৰণ কক্ষ পৰিদৰ্শন কৰি বিদ্যুৎ সেৱাৰ সামগ্ৰিক ব্যৱস্থাৰ বুজ লয়। তেওঁ লগতে অঞ্চলটোৰ জনসাধাৰণৰ সুবিধাৰ্থে ৰূপায়ণ হৈ থকা ব্যৱস্থাসমূহৰো পৰ্যালোচনা কৰে। বিধায়কগৰাকীয়ে সকলো লোকে যাতে নিৰ্ভৰযোগ্য বিদ্যুৎ সেৱা লাভ কৰে সেয়া সুনিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। চৰকাৰে বিদ্যুৎ খণ্ডক অত্যাধুনিক, কাৰ্যক্ষম আৰু জনমুখী কৰাৰ বাবে অবিৰতভাৱে কাম কৰি আছে বুলি শ্ৰীবৰাই সাংবাদিকৰ আগত মত প্ৰকাশ কৰে।

০০০০০০

মংগোলীয়াৰ উলানবাটোৰৰ গণ্ডানটেগচেনলিং মঠত বুদ্ধ পূৰ্ণিমা উপলক্ষে ভাৰতৰ পৰা প্ৰদৰ্শনীৰ বাবে নিয়া ভগৱান বুদ্ধৰ দুগৰাকী প্ৰধান শিষ্য অৰহন্ত চাৰিপুত্ৰ আৰু অৰহন্ত মোডগাল্যায়ানৰ পবিত্ৰ অৱশেষ আনুষ্ঠানিকভাৱে স্থাপন কৰা হয়। প্ৰদৰ্শনীৰ বাবে যোৱা ভাৰতৰ প্ৰতিনিধি দলক নেতৃত্ব দিয়া অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মংগোলীয়াত থকা ভাৰতৰ ৰাষ্ট্ৰদূত অতুল মালহাৰী গটছাৰ্ভেৰ উপস্থিতিত এই পবিত্ৰ অৱশেষ প্ৰদৰ্শনী উদ্বোধন কৰা হয়। অনুষ্ঠানত ভাষণ দি ৰাজ্যপাল আচাৰ্যই এই প্ৰদৰ্শনীক এটা ঐতিহাসিক মুহূৰ্ত বুলি অভিহিত কৰি কয়, যে এই পবিত্ৰ অৱশেষত প্ৰজ্ঞাৰ পোহৰ, শান্তি, সহমৰ্মিতা আৰু সম্প্ৰীতিৰ বিশ্বজনীন বাৰ্তা নিহিত হৈ আছে। মধ্যপ্ৰদেশৰ ছাঁচী বিহাৰ চৈত্যত শতিকাজুৰি সংৰক্ষণ কৰি ৰখা এই পবিত্ৰ অৱশেষ হৈছে ভাৰতৰ আটাইতকৈ মূল্যবান সভ্যতাগত সম্পদ।

ভাৰত আৰু মংগোলীয়াৰ মাজৰ বন্ধুত্ব, বিশ্বাস আৰু শ্ৰদ্ধাৰ প্ৰতীক হিচাপে দেশখনলৈ প্ৰদৰ্শনীৰ বাবে নিয়া বুদ্ধৰ পবিত্ৰ অৱশেষ অহা ১০ জুনলৈ ৰখা হ'ব বুলি সংস্কৃতি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০০০

চৰাইদেউ জিলাৰ বৰহাট আৰক্ষী থানাৰ অন্তৰ্গত বৰহাট চাহ বাগিচাত দীৰ্ঘদিন ধৰি চলি থকা কেঁচা চাহপাত চুৰি কাৰ্যৰ বিৰুদ্ধে জিলাখনৰ আৰক্ষীয়ে অভিযান চলাই ১৫ জনীয়া দুৰ্বৃত্তৰ দল এটাক আটক কৰে। ধৃত চোৰৰ দলটোৱে দীৰ্ঘদিন ধৰি বৰহাট চাহ বাগিচাৰ পৰা কেঁচা চাহপাত চুৰি কৰি চোৰাংভাৱে বিক্ৰী কৰি আছিল। এই সন্দৰ্ভত বাগিচা কৰ্তৃপক্ষই বৰহাট আৰক্ষী থানাত দাখিল কৰা এজাহাৰৰ ভিত্তিত তদন্ত কৰি আৰক্ষীয়ে এই দলটোক চিনাক্ত কৰে।

০০০০০০

ডিব্ৰুগড়ৰ লাহোৱালৰ জগন্নাথ মন্দিৰৰ সমীপত কালি সন্ধিয়া হঠাৎ অহা এজাক ধুমুহাত পথৰ কাষৰ এজোপা গছ উভালি পৰি এজন যুৱকৰ মৃত্যু হয়। মৃত যুৱকজন সঞ্জয় তাঁতী বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ ৰে'লৰে মাটিত অস্থায়ী ঘৰ বান্ধি বাস কৰা সঞ্জয় তাঁতীৰ ঘৰৰ ওপৰতে গছডাল উভালি পৰাত এই দুৰ্ঘটনা সংঘটিত হয়। ৰাইজৰ সহযোগত আৰক্ষীয়ে গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত যুৱকজনক অসম চিকিৎসা মহাবিদ্যালয়লৈ নিছিল যদিও চিকিৎসকে যুৱকজনৰ মৃত্যু হোৱা বুলি প্ৰকাশ কৰে। যুৱকজনৰ অকাল বিয়োগত অঞ্চলটোত শোকৰ ছাঁ পৰে।

০০০০০০

ডিব্ৰুগড়ৰ ঐতিহাসিক কলি আইথান প্ৰেক্ষাগৃহত কালি অনুষ্ঠিত এটা অনুষ্ঠানত অঞ্চলটোৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনোৱা হয়। শ্ৰীশ্ৰী কলীয়াথান পৰিচালনা সমিতিৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত মুঠ ৬৫ গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। এই অনুষ্ঠানত শিক্ষাৰ সৈতে জড়িত জিলাখনৰ ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা আহমেদাবাদাৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত ফাইনেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে গুজৰাট টাইটানছক ৫ উইকেটত পৰাস্ত কৰি একেৰাহে দ্বিতীয়বাৰৰ বাবে খিতাপ জয় কৰে। ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ১৫৬ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰত ৫ উইকেটৰ বিনিময়ত অনায়াসে নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। বিৰাট কোহলি ৪২টা বলত ৭৫ ৰান কৰি আউট নোহোৱাকৈ থাকে। ইয়াৰ পূৰ্বে গুজৰাট টাইটানছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৫৫ ৰান সংগ্ৰহ কৰে। দলৰ হৈ ৱাশ্বিংটন সুন্দৰে ৫০ ৰান কৰি আউট নোহোৱাকৈ থাকে। বিৰাট কোহলিক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

সম্পূৰ্ণ দুমাহজোৰা এইবাৰৰ আই পি এলত বৈভৱ সূৰ্যবংশী আটাইতকৈ গুৰুত্বপূৰ্ণ খেলুৱৈ হিচাপে বিবেচিত হয়। প্ৰতিযোগিতাত সূৰ্যবংশীয়ে সৰ্বাধিক ৭৭৬ ৰান কৰি অৰেঞ্জ কেপ লাভ কৰা আটাইতকৈ কম বয়সীয়া খেলুৱৈ হিচাপে অভিলেখ গঢ়ে। আই পি এলৰ এইবাৰ সংস্কৰণত মুঠ ২৯টা উইকেট দখল কৰাৰ বাবে কাগিছ' ৰাবাডাই পাৰ্পল কেপ লাভ কৰে। মনীষ পাণ্ডেই কেটছ অৱ দা ছিজন সন্মান লাভ কৰে। ১৭২টা ডট বলেৰে মহম্মদ ছিৰাজে প্ৰতিযোগিতাখনত অধিক সংখ্যক ডট বল কৰা খেলুৱৈৰ সন্মান লাভ কৰে। একেদৰে ছাই সুদৰ্শনে আটাইতকৈ বেছি বাইণ্ডেৰী মৰা খেলুৱৈৰ সন্মান লাভ কৰে। সুদৰ্শনে ৭৫টা ফ'ৰ মাৰে। বৈভৱ সূৰ্যবংশীয়ে এমাৰ্জিং প্লেয়াৰ অৱ দা ছিজন, ছুপাৰ ষ্ট্ৰাইকাৰ অৱ দা ছিজন আৰু ছুপাৰ ছিক্সেছ অৱ দা ছিজনকে ধৰি বহুকেইটা সন্মান অৰ্জন কৰে।

০০০০০০

অনাগত সময়ত অসমক সামৰিক উদ্যোগৰ প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বিষয়ে কালি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙক সাক্ষাৎ কৰি আলোচনা কৰে। বাতৰিটো **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে। অহা ৫ জুনত ৰাজ্যৰ মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কৰাৰ বাতৰিটো **দৈনিক অগ্ৰদূত** আৰু **দা ছেন্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। ৰাজ্যৰ ৯৬ শতাংশৰো অধিক ঘৰলৈ বিদ্যুৎ যোগান আৰু ৯২ দশমিক ৮ শতাংশ ঘৰলৈ বিশুদ্ধ খোৱাপানী যোগান ধৰিবলৈ চৰকাৰ সমৰ্থ হৈছে বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। বাতৰিটো **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। নেচনেল ফাৰ্মাচিউটিকেল প্ৰাইচিং অথ'ৰিটীয়ে ডায়েবেটিছ, হৃদৰোগ, ভিটামিন, এণ্টিবায়'টিকসহ ৩০ বিধ অত্যাৱশ্যকীয় ঔষধৰ সৰ্বোচ্চ খুচুৰা দাম নিৰ্ধাৰণ কৰিছে। বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি প্ৰচাৰিত মন কী বাতৰ ১৩৪ সংখ্যক খণ্ডত প্ৰচণ্ড গৰমৰ পৰা পৰিত্ৰাণ পাবলৈ পৰ্যাপ্ত পৰিমাণে পানী খাবলৈ আহ্বান জনোৱাৰ বাতৰিটো **আমাৰ অসম** আৰু **অসমীয়া প্ৰতিদিন** কাকতে গুৰুত্ব সহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক কেন্দ্ৰীয় লোকসেৱা আয়োগৰ পৰীক্ষাৰ বাবে প্ৰস্তুত কৰাৰ লক্ষ্যৰে সদৌ অসম ছাত্ৰ সন্থাই ৰূপায়ণ কৰা অভিলাষী প্ৰকল্প প্ৰত্যাশাৰ অধীনত প্ৰশিক্ষণ গ্ৰহণৰ বাবে কালি বাছনি পৰীক্ষা অনুষ্ঠিত হয়। বাতৰিটো সন্দৰ্ভত **অসমীয়া খবৰ** কাকতৰ শিৰোনাম 'লক্ষ্য ইউ পি এছ চিঃ ৩ জুনত প্ৰকাশ পাব আছুৰ প্ৰত্যাশাৰ ফলাফল'।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্রা সৰ্বোচ্চ ৩৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ কোনো কোনো অংশত পাতলীয়া পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

**সমাপ্ত**